# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 25-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। রাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৱে আজি ৰাষ্ট্রপতি ভৱনত আয়োজিত প্রথম অসামৰিক অলংকৰণ সমাৰোহত ৬৬টা পদ্ম বঁটা প্রদান কৰিব।

২। জনজাতি সম্প্রদায়ক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ বাহিৰত ৰাখিবলৈ চৰকাৰে বিশেষ ব্যৱস্থা গ্রহণ কৰিছে বুলি কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহে প্রকাশ কৰিছে।

৩। পশ্চিমবংগৰ ফাল্টা বিধানসভা সমষ্টিৰ পুনৰ নিৰ্বাচনত বিপুল ভোটত জয়ী হোৱা বিজেপিৰ দেৱাংশু পাণ্ডাক প্রধানমন্ত্রী নৰেন্দ্ৰ মোদীয়ে শুভেচ্ছা জনাইছে।

৪। ভিয়েটনামত অনুষ্ঠিত ২৩ বছৰ অনূৰ্ধৰ এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপত ভাৰতৰ খেলুৱৈসকলে তিনিটা সোণ, দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকেৰে অভিযান অব্যাহত ৰাখিছে। ***আৰু***

৫। আই পি এল ক্রিকেট প্রতিযোগিতাত যোৱা নিশাৰ এখন খেলত দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক ৪০ ৰানত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মুৱে আজি ৰাষ্ট্রপতি ভৱনত আয়োজিত প্রথম অসামৰিক অলংকৰণ সমাৰোহত ৬৬টা পদ্ম বঁটা প্রদান কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্রপতি চি পি ৰাধাকৃষ্ণণ, প্রধানমন্ত্রী নৰেন্দ্ৰ মোদী আৰু কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। শ্রীমতী মুৰ্মুৱে আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্রী বঁটা প্রদান কৰিব।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ জন লোকক পদ্ম বিভূষণ, ১৩ জনক পদ্ম ভূষণ আৰু ১১৩ জন লোকক পদ্মশ্রী বঁটাকে মুঠ ১৩১ জন লোকলৈ পদ্ম বঁটা ঘোষণা কৰা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্রদান কৰা হ'ব। প্রতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্রাপকসকলৰ নাম ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্রমা, বিজ্ঞান আৰু অভিযান্ত্রিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্রীড়া, অসামৰিক সেৱাকে ধৰি বিভিন্ন খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লোকসকলৰ সন্মানাৰ্থে এই বঁটা প্রদান কৰা হয়।

ooooo

কেন্দ্রীয় গৃহ মন্ত্রী অমিত শ্বাহে কৈছে যে, জনজাতি  সম্প্রদায়ক উমৈহতীয়া দেৱানী বিধিৰ আওতাৰ বাহিৰত ৰাখিবলৈ চৰকাৰে বিশেষ ব্যবস্থা গ্রহণ কৰিছে, যাতে তেওঁলোকৰ অধিকাৰসমূহ সম্পূৰ্ণৰূপে সুৰক্ষিত ৰাখিব পৰা যায়। নতুন দিল্লীত আয়োজিত জনজাতি সাংস্কৃতিক সমাগমত ভাষণ দি শ্রী শ্বাহে কয় যে ,উমৈহতীয়া দেৱানী বিধিয়ে জনজাতি সকলৰ কোনো ধৰণৰ অধিকাৰ উলংঘন নকৰে। প্রসিদ্ধ জনজাতীয় নেতা তথা স্বাধীনতা সংগ্রামী ভগৱান বীৰ্চা মুণ্ডাৰ বিষয়ে উল্লেখ কৰি শ্রী শ্বাহে কয় যে, তেওঁ এই বাৰ্তা প্রেৰণ কৰিছিল যে, জনজাতি সম্প্রদায়ৰ লোকসকলৰ নিজৰ ভূমিৰ উপৰত সম্পূৰ্ণ অধিকাৰ আছে আৰু সেই

অধিকাৰ কোনেও কাঢ়ি নিব নোৱাৰে। জনজাতি কল্যাণ বাজেট কংগ্ৰেছ চৰকাৰৰ দিনৰ ২৮হাজাৰ কোটি টকাৰ পৰা নৰেন্দ্ৰ মোদী চৰকাৰৰ সময়ত ১ কোটি ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰা হৈছে বুলিও গৃহমন্ত্ৰী গৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

পশ্চিমবংগৰ ফাল্টা বিধানসভা সমষ্টিৰ পুনৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী দেৱাংশু পাণ্ডা ১ লাখ ৯ হাজাৰ ভোটৰ ব্যৱধানত জয়ী হয়। শ্ৰীপাণ্ডাই তেওঁৰ নিকট প্ৰতিদ্বন্দ্বী চিপিআই এমৰ প্ৰাৰ্থী শম্ভুনাথ কুৰ্মীক পৰাস্ত কৰে। চি পি আই এমৰ প্ৰাৰ্থীগৰাকীয়ে ৪০ হাজাৰ ৬৪৫টা ভোট লাভ কৰে। এই জয়ৰ লগে লগে বিজেপিয়ে দীৰ্ঘদিন ধৰি তৃণমূল কংগ্ৰেছৰ দখলত থকা আসনখন অধিকাৰ কৰিবলৈ সমৰ্থ হয়। এই আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী জাহাংগীৰ খান কেৱল ৭ হাজাৰ ৭০০ ভোটেৰে চতুৰ্থ স্থানলৈ অৱনমিত হয়।

উল্লেখযোগ্য যে, ফাল্টা সমষ্টিৰ ২৮৫টা ভোটগ্ৰহণ কেন্দ্ৰত যোৱা ২১ মে'ত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। সমষ্টিটোত পূৰ্বৰ ভোটগ্ৰহণত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপিত হোৱাত নিৰ্বাচন আয়োগে সমষ্টিটোৰ আটাইবোৰ কেন্দ্ৰতে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনত জয়ী হোৱাৰ বাবে বিজেপিৰ প্ৰাৰ্থীগৰাকীলৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে এই জয়ে বিজেপিৰ প্ৰতি পশ্চিমবংগৰ জনসাধাৰণৰ অটল বিশ্বাসকে প্ৰতিফলিত কৰে। তেওঁ লগতে ৰাজ্যখনত বিজেপিৰ কৰ্মকৰ্তাসকলৰ কামৰ শলাগ লয়। অনাগত সময়ত সকলো কৰ্মকৰ্তাই পশ্চিমবংগৰ প্ৰগতিৰ হকে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা NTA এ অহা ২৮ মে'ত হ'বলগীয়া CEUT UG পৰীক্ষাৰ দিন পিছুৱাই দিছে। NTA এ কৈছে যে, চৰকাৰী নিৰ্দেশনা অনুসৰি ঈদ উল জোহাৰ বন্ধৰ দিন সলনি হোৱাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সংশোধিত পৰীক্ষাৰ দিন শীঘ্ৰেই ঘোষণা কৰা হ'ব বুলি সংস্থাটোৱে প্ৰকাশ কৰিছে। শেহতীয়া তথ্যৰ বাবে নিয়মিতভাৱে সংস্থাৰ ৱেবচাইট চাই থাকিবলৈ NTA এ ছাত্ৰ ছাত্ৰী সকলক পৰামৰ্শ দিছে। যিকোনো সহায়ৰ বাবে ছাত্ৰ ছাত্ৰীসকলে সংস্থাৰ হেল্পলাইন নম্বৰ 011- 40759000 অথবা cuet-uginta.ac.in ত যোগাযোগ কৰিব পাৰিব।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ– চি বি এছ ইয়ে দশম শ্ৰেণীৰ পৰীক্ষাৰ উত্তৰ বহীৰ স্কেন কৰা প্ৰতিলিপি লাভৰ দিন আৰু এদিনলৈ অৰ্থাৎ আজিলৈ বৃদ্ধি কৰিছে। পৰিষদে কৈছে যে, ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ বাবে যাতে পৰ্যাপ্ত সময় লাভ কৰে, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। উত্তৰ বহীৰ পুনৰীক্ষণৰ বাবে আবেদন গ্ৰহণৰ দিন শীঘ্ৰেই প্ৰকাশ কৰা হ'ব বুলিও পৰিষদে জানিবলৈ দিছে।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আসোঁৱাহমুক্ত পুনৰ মূল্যায়ণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চি বি এছ ইক সহায় কৰিবলৈ ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাজ আৰু কানপুৰৰ অধ্যাপক তথা প্ৰযুক্তি বিশেষজ্ঞৰ এটা দলক নিয়োগ কৰাৰ নিৰ্দেশ দিছে। চি বি এছ ইৰ পৰীক্ষাৰ ফলাফল সম্পৰ্কীয় প'ৰ্টেলত শিক্ষাৰ্থী তথা অভিভাৱকসকলে উত্থাপন কৰা বিভিন্ন আপত্তি তথা শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, ভাৰতীয় প্ৰযুক্তি

প্ৰতিষ্ঠান আই আই টিৰ বিশেষজ্ঞৰ দলটোৱে সমস্ত প্ৰক্ৰিয়াৰ প্ৰায়োগিক বিকাশ কৰাৰ লগতে প'ৰ্টেলটোৰ স্থিৰতা তথা চাৰ্ভাৰৰ কাম-কাজ বিশেষভাৱে পৰীক্ষা কৰিব।

০০০০০

**বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কৈছে যে, সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰত আৰু আমেৰিকা সদায় তৎপৰ। নতুন দিল্লীত কালি আয়োজিত আমেৰিকাৰ ২৫০ সংখ্যক স্বাধীনতা দিৱসৰ কাৰ্যসূচীত ভাষণ দি ড° জয়শংকৰে কয় যে, সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূণ্য সহনশীলতাৰ বাবে ভাৰত আৰু আমেৰিকাই সদায় স্পষ্ট মনোভাৱ প্ৰকাশ কৰি আহিছে আৰু সেয়েহে সন্ত্ৰাসবাদ বিৰোধী যুঁজত দেশ দুখনৰ মাজৰ সহযোগিতা অত্যন্ত গুৰুত্বপূৰ্ণ।**

**আমেৰিকাৰ বিদেশ মন্ত্ৰী তথা ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা মাৰ্কো ৰুবিঅ'ৰ ভাৰত ভ্ৰমণৰ কথা উল্লেখ কৰি ড° জয়শংকৰে কয় যে, তেওঁৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ গুৰুত্বপূৰ্ণ সম্পৰ্কৰ কথাকেই প্ৰতিফলিত কৰিছে।**

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে নতুন দিল্লীৰ ভাৰত মণ্ডপমত কালি আমেৰিকাৰ স্বাধীনতাৰ ২৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰা আমেৰিকাৰ ৰাষ্ট্ৰদূত ছাৰ্জিঅ' গ'ৰৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰে। ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বন্ধু বুলি প্ৰকাশ কৰি দেশ দুখনৰ মাজৰ সম্পৰ্ক পূৰ্বে কেতিয়াও ইমান গভীৰ নাছিল বুলি উল্লেখ কৰে। ভাৰতৰ প্ৰতি তেওঁৰ সদ্‌ভাৱ আছে বুলি উল্লেখ কৰি ট্ৰাম্পে নিজকে প্ৰধানমন্ত্ৰী মোদীৰ অনুৰাগী বুলি কয়। ট্ৰাম্পে ফোনযোগে কৰা এই মন্তব্য ৰাষ্ট্ৰদূতগৰাকীয়ে মাইক্ৰ'ফোনৰ জৰিয়তে সকলোকে শুনোৱাৰ ব্যৱস্থা কৰে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, আমেৰিকাৰ বিদেশমন্ত্ৰী মাৰ্ক' ৰুবিঅ' উপস্থিত থাকে।

আমেৰিকাৰ বিদেশমন্ত্ৰী মাৰ্ক' ৰুবিঅ'ৰ চাৰিদিনীয়া ভাৰত ভ্ৰমণৰ মাজতে কালি ৰাষ্ট্ৰপতি ট্ৰাম্পে এই মন্তব্য কৰে। শ্ৰীৰুবিঅ'ই যোৱা শনিবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ পাছত কালি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ সৈতে বৈঠকত মিলিত হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত নিয়মীয়া **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ দিব পাৰিব। তেওঁলোকে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুক্ত মঞ্চৰ জৰিয়তেও দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। নাগৰিকসকলে ১৯২২ত মিছকল দিলে পোৱা এছ্ এম এছত উল্লেখ থকা লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ দিব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পৰা যাব।

০০০০০

ভিয়েটনামৰ দা নাঙত অনুষ্ঠিত ২৩ বছৰ অনূৰ্ধ এছিয়ান মল্লযুঁজ চেম্পিয়নশ্বিপত ভাৰতৰ খেলুৱৈসকলে তিনিটা সোণ, দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকেৰে অভিযান অব্যাহত ৰাখিছে। মহিলাৰ

ফ্ৰিষ্টাইল শাখাত মানসী লথেৰা আৰু কাজল ধ'চাকে সোণৰ পদক লাভ কৰাৰ বিপৰীতে ছুইটী আৰু নেহা চাংৱানে ৰূপৰ পদক লাভ কৰিছে। অহিল্যা সিঙেই ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে পুৰুষৰ গ্ৰেক' ৰোমান শাখাত সুমীত দালালে সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে নীৰজ পেটেলে আৰু ৰোহিত বুৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। সুমীতে ৬৩ কিলোগ্ৰাম শাখাত কালি ফাইনেলত উজবেকিস্তানৰ অজ'দবেক খালিমবয়েভক ১২-২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি সোণৰ পদক অৰ্জন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে কলকাতা নাইট ৰাইডাৰ্ছক ৪০ ৰানত পৰাস্ত কৰে। দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৬০ ৰান কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৮ অভাৰ ৪টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১৬৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দেলহিৰ হৈ তিনিটা উইকেট দখল কৰা কুলদীপ যাদৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে কালি ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক ৩০ ৰানত পৰাস্ত কৰে।

ooooo

সমাপ্ত